অসম চৰকাৰ

**গুৱহাটী উন্নয়ন বিভাগ**

&

পৌৰ উন্নয়ন বিভাগ

**প্ৰৰম্ভিক পৰিৱেশ সম্বন্ধীয় পৰীক্ষন দক্ষিন-পূৱ গুৱাহাটীত ৰূপাংকন, নিৰ্মান তথা কাৰ্য্যব্যৱস্থাৰ পৰিচালনা, পানী পৰীক্ষণ আৰু বিশুদ্ধ পানীৰ পাম্পিংৰ কাৰ্য্যপৰিকল্পনা।**

**তথ্যৰ পৰ্য্যয়ঃ সংশোধিত (জুন ২০১৪)**

**অসম পৌৰ আন্তঃগাথনি বিনিয়োগ**

**কৰ্ম আঁচনি**

# সংক্ষিপ্ত কাৰ্য্যকৰী বিৱৰণ

১) অসম চৰকাৰৰ অধীনত অসম পৌৰ আন্তঃগাথনি বিনিয়োগ কৰ্ম আঁচনি পৌৰ আন্তঃগাথানিৰ চাবি কাঠী স্বৰূপ আৰু উন্নত মানৰ পানী যোগান আচঁনি, অনাময় ব্যৱস্থা, বৰ্জিত দ্ৰব্যৰ ব্যৱস্থাপনা, নৰ্দমাৰ আন্তঃগাথনিৰ লগতে অনূকূল পৌৰ পৰিবহন ব্যৱস্থা আদিৰ উন্নতিকৰনেই হ'ল ইয়াৰ মূল উদ্দেশ্য । উক্ত কৰ্মআঁচনি খনৰ বাবে ব্যৱহাৰ কৰা হৈছে multi financing facility অৰ্হি যাক অহা ৫ বছৰ ২০১২ৰ পৰা ২০১৭ৰ বাস্তৱায়িত কৰা হ'ব । এই ব্যবস্থাৰ অধীনত গুৱাহাটী মহানগৰীৰ পানী যোগান আঁচনি পয়ঃপ্ৰনালী, পৰিবহন ব্যৱস্থা তথা ডিব্ৰুগড় মহানগৰীৰ জলনিষ্কাশন ব্যৱস্থা, বৰ্জিত দ্ৰব্যৰ ব্যৱস্থাপনা আৰু অন্যান্য প্ৰয়োজনীয় সেৱা সমূহ চিনাক্তকৰন কৰা হৈছে ।

২) এই কৰ্ম আঁচনি খনৰ প্ৰধান লক্ষ্য সমূহ হ'ল – ক) গুৱহাটী মহানগৰীৰ পানী যোগান ব্যৱস্থা, অনাময় ব্যৱস্থা খ) ডিব্ৰুগড় মহানগৰীৰ বাবে বৰ্জিত দ্ৰব্যৰ ব্যৱস্থাপনা তথা জলনিষ্কাশন ব্যৱস্থা।

৩) অসম চৰকাৰৰ অধীনস্থ গুৱাহাটী উন্নয়ন বিভাগে উক্ত কৰ্মআঁচনিৰ কাৰ্য্যনিৰ্বাহক অনুস্থান । ৰাজ্যিক পৰ্য্যায়ৰ এগৰাকী পূৰ্ণকালীন প্ৰকল্প নিৰ্দেশক তথা pmu ৰ সহযোগত গঠিত কাৰ্য্যনিৰ্বাহক অনুস্থানটোৱে উক্ত কৰ্ম আঁচনিৰ কাৰ্যকৰীকৰন কাৰিকৰী তত্বাৱধান পৰিদৰ্শন তথা বিত্তীয় ব্যৱস্থাৰ দায়িত্ব গ্ৰহন কৰিব । গুৱাহাটী অৰু ডিব্ৰুগড় মহানগৰীৰ উন্নয়নৰ বাবে লোৱা এই কৰ্ম আঁচনিখনৰ বাবে নিয়োজিত প্ৰকল্প পৰিচালনা গোট সমূহ এজন কাৰিকৰী তথা অভিজ্ঞ্য বিষয়াৰ সহযোগত পৰিচালিত হ'ব।

৪) উক্ত প্ৰকল্পৰ অৰ্ন্তভূক্ত উপপ্ৰকল্প সমূহৰ ফলত উদ্ভৱ হ'ব পৰা নেতিবাচক পাৰিপাৰ্শ্বিক আৰু সামাজিক প্ৰভাৱৰ পৰা ৰক্ষনাবেক্ষনৰ সম্পূৰ্ণ দায়িত্ব হ'ব pmu ক। piu ৰ বাবে এগৰাকী পাৰিপাৰ্শ্বিক বিষয়া আৰু পূৰ্ণবন্দবস্ত বিষয়া নিয়োজিত হ'ব যাৰ দায়িত্ব হ'ব পাৰিপাৰ্শ্বিক নিৰীক্ষণৰ, পাৰিপাৰ্শ্বিক ব্যবস্থাপনা তথা পূৰ্ণবন্দোবস্ত আঁচনিৰ কাৰ্যকৰীকৰণ কৰা। নিৰ্মানকাৰ্য্যৰ সময়ছোৱাত PIUৰ দ্বাৰা সম্পাদিত উপপ্ৰকল্পৰ প্ৰাৰম্ভিক পাৰিপাৰ্শ্বিক পৰীক্ষন সমূহ বিশদভাৱে তদাৰক তথা পৰিচালনা কৰিবলৈ এজনকৈ অভিজ্ঞ্য পৰিৱেশ বিশেষজ্ঞ ৰূপাংকন আৰু তদাৰকী পৰামৰ্শদাতাক দলৰ অংশীদাৰ হিচাবে নিয়োজিত কৰা হয়।

৫) নিৰ্মানকাৰ্য্যৰ সময়ছোৱাত সৃষ্টি হোৱা পৰিৱেশৰ লগত মোকোবিলা কৰিবলৈ পাৰিৱেশ নিদৰ্শন আঁচনিৰ যোগেদি লবলগীয়া প্ৰতিৰোধমূলক ব্যৱস্থা সমূহ নিশ্চিত কৰা হয়। উক্ত ব্যৱস্থা সমূহৰ যোগেদি নিৰ্মানকৰ্মী সমূহৰ লগতে হিতাধীকাৰীৰ সাক্ষাৎকাৰ লোৱা তথ্যৰ নিৰীক্ষণ তথা নিৰ্মানস্থলীৰ পৰ্য্যবেক্ষণ আদিৰ কাম কৰা হয়।

৬) সেয়েহে প্ৰস্তাবিত উপপ্ৰকল্পটোৱে তাৎপৰ্যপূৰ্ণ প্ৰতিকূল প্ৰভাৱ বিস্তাৰ কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। উক্ত প্ৰকল্পটোৰ প্ৰাপ্তিৰ আধাৰত ইয়াক B শ্ৰেণীৰ প্ৰকল্প হিচাপে নিশ্চিত কৰা হোৱাৰ লগতে ADB SPS (2009)ৰ আধাৰত উক্ত প্ৰকল্পটোৰ কোনোধৰণৰ বিশেষ অধ্যয়ন আৰু পাৰিপাৰ্শ্বিক প্ৰভাৱৰ মুল্যাংকনৰ বিশদ আলোচনাৰ প্ৰয়োজনীয়তা নাই বুলি উল্লেখ কৰা হ'ল।

৭)প্ৰস্তাবিত প্ৰকল্পটোৰ বাবে কৰা বিনিয়োগৰ প্ৰধান উদ্দেশ্য হ'ল ২০৩০ চনৰ ভিতৰত গুৱাহটী মহানগৰীৰ দক্ষিন-পূব অঞ্চলৰ প্ৰায় ৫১০০০০ বাসিন্দাৰ বাবে ২৮ ঘন্টা ধৰি বিশুদ্ধ পানীৰ যোগান ব্যৱস্থা কৰা। ইয়াৰ বাবে লবলগীয়া পদক্ষেপ সমূহ হ'ল-

ক) প্ৰতিদিনে ৯৮ মিলিয়ন লিটাৰ পানীৰ উৎপাদন কৰা।

খ) উৎপাদিত পানীৰ গুণগত মানৰ পাৰীক্ষা-নিৰীক্ষা কৰা।

গ) পনী সঞ্চাৰণৰ বাবে ১০০% নতুন পাইপলাইন বহুওৱা।

ঘ) ৬ টা কৃত্ৰিম জলাশয়ৰ লগতে নতুন মেচিনাৰী তথা বাল্ক অৰু গ্ৰহক সেৱাৰ পদ্ধতি বহুওৱা।

৮) উক্ত প্ৰকল্পৰ বাবে বিনিয়োগ কৰা ধনৰ প্ৰথম অংশৰ বাবে কৰা কাৰ্য্যপৰিকল্পনা সমূহ আছিল –

ক) পানীৰ পাম্পিং ষ্টেচন তথা পানী সংগ্ৰহৰ বাবে কুৱাৰ নিৰ্মানকাৰ্য্য।

খ) ৯৮ টা MLD স্তৰৰ পানী পৰীক্ষণ প্ৰৰীক্ষণ প্ৰকল্প আৰু বিশুদ্ধ পানী যোগানৰ ব্যৱস্থা কৰা ।

উপৰোক্ত কাৰ্য্যপৰিকল্পনাৰ আধাৰত প্ৰকল্প ঢুকি নোপোৱা দক্ষিন গুৱাহাটীৰ পূব এলেকাৰ পানী যোগান ব্যৱস্থা সামৰি লোৱা হৈছে।

উক্ত প্ৰকল্পৰ নিৰ্মানকাৰ্য্য ২০১৭ চনত আৰম্ভ হ'ব আৰু ৩৬ মাহৰ ভিতৰত সম্পূৰ্ণ হ'ব। তাৰোপৰি উক্ত প্ৰকল্পৰ প্ৰাৰম্ভিক পৰিৱেশ সম্বন্ধীয় পৰীক্ষণ কৰ্মঅঁচনি খনৰ সম্পূৰ্ণ তথ্য DBO চুক্তিপত্ৰ মৰ্মে অনুমোদিত হোৱাৰ পিছত প্ৰকল্পৰ লগত জড়িত ব্যক্তিসকলে IEE অৰু EMPৰ উন্নীতকৰণৰ ব্যৱস্থা কৰিব ।

৯) উক্ত প্ৰকল্পৰ ফলত উদ্ভৱ হ'ব পৰা পৰিৱেশ সংক্ৰান্তীয় নেতিবাচক প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি ব্ৰহ্মপুত্ৰ নদীৰ উপকূল অঞ্চলকে প্ৰকল্পটোৰ কাৰ্য্যস্থতী হিচাপে লোৱা হৈছে।

১০) উক্ত প্ৰকল্পৰ ফলত উদ্ভৱ হ'ব পৰা পৰিৱেশ সংক্ৰান্তীয় প্ৰভাৱৰ প্ৰতি লক্ষ ৰাখি কাৰ্য্যস্থলী তলত দিয়া ধৰণে বাচনি কৰা হ'ব -----

ক) পাহৰীয়া অঞ্চলৰ বাসিন্দা সকলৰ সুবিধাৰ প্ৰতি লক্ষ ৰাখি পানী সংগ্ৰহ তথা পানী যোগানৰ ব্যৱস্থা কৰা।

খ) প্ৰকল্পটোৰ বাবে প্ৰয়োজনীয় সকলো সা-সুবিধা চৰকাৰী ভুমিত উপলব্ধ কৰা।

গ) ঘন জনবাসতিপূৰ্ণ এলেকাৰ প্ৰতি লক্ষ ৰাখি পানী সঞ্চাৰিত কৰা পাইপ সমূহ ৰাজপথৰ কাষেৰে বহুওৱাৰ ব্যৱস্থা কৰা।

১১) ২৯০০ কিঃ মিঃ দৈৰ্ঘ্য আৰু প্ৰতি ছেকেন্ডত গড়ে ৩৩০০ৰ পৰা ১৭৬০০ কিউবিক মিটাৰ জলনিষ্কাশন ক্ষমতা তথা ১২০ মিটাৰ গভীৰতা সম্পন্ন ব্ৰহ্মপুত্ৰ নদীৰ বিশালতাৰ প্ৰতি লক্ষ্য ৰাখি পানী সংগ্ৰহৰ বাবে নিৰ্মিত জলাশয় সমূহত ১২ মিমি *১২ (ss flats strip with bar spacing of 80 c/c) জালিকা দিয়াৰ ব্যৱস্থা কৰা হৈছে যাৰ জৰিয়তে জলাশয় সমূহত বিভিন্ন ধৰণৰ মাছ তথা জলচৰ জীৱৰ প্ৰবেশ ৰোধ কৰা হ'ব। উক্ত প্ৰকল্পৰ ফলত ব্ৰহ্মপুত্ৰ নদীৰ নৈ কাষৰীয়া অঞ্চলত থকা গছ-গছনিৰ সাম্ভাব্য ক্ষতিৰ প্ৰতি লক্ষ ৰাখি পানী সংগ্ৰহৰ বাবে মাত্ৰ এদাল পাইপ বহুওৱাৰ ব্যৱস্থা গ্ৰহন কৰা হ'ব। নিৰ্মানকাৰ্য্যৰ সময়ছোৱাত সৃষ্টি হোৱা শব্দ প্ৰদূষণৰ পৰিমান চৰকাৰৰ দ্বাৰা নিৰ্ধাৰিত পৰিসীমাৰ ভিতৰত থাকিব।

১২) উপপ্ৰকল্প কাৰ্য্যকৰীকৰণৰ ফলত সৃষ্টি হোৱা পৰিৱেশ সংক্ৰান্তীয় প্ৰভাৱ সমূহ মূলতঃ তলত দিয়া কাৰক সমূহৰ ফলাফল

ক) খনন কাৰ্য্যৰ ফলত পানীৰ গুণগত মান নিম্নগমী তথা শব্দ প্ৰদূষণ হোৱা।

খ) বুজন পৰিমানৰ বৰ্জিত মাটি নিষ্কাশিত আৰু পলসৰ বিন্যস্ত কৰাৰ প্ৰয়োজনীয়তা।

গ) নিৰ্মানকাৰ্য্যৰ ফলত সাধাৰণ জনবাসতি পূৰ্ণ অঞ্চল ব্যৱসায় পৰিবহন তথা বিভিন্ন ধৰণৰ গুৰুত্বপূৰ্ণ কাৰ্য্যালয়ৰ কাম কাজত ব্যাঘাত জন্মা।

১৩) উক্ত প্ৰকল্পটোৰ লগত জড়িত ব্যক্তিসকলৰ দ্বাৰা পৰিচালিত কাৰ্য্যসমূহ তথা প্ৰকল্পৰ সকলো নথিপত্ৰ EMP ত অৰ্ন্তভূক্ত হ'ব। ইয়াৰ যোগেদি

ক) ৰূপাংকণৰ সকলো পৰ্য্যায়ত IEE খনৰ উন্নীতকৰণৰ ব্যৱস্থা কৰা।

খ) নিৰ্মানকাৰ্য্যৰ ফলত সৃষ্টি হোৱা পৰিৱেশ সংক্ৰান্তীয় প্ৰভাৱ সমূহৰ ববে প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহন কৰা।

গ) নিৰ্মানকাৰ্য্যৰ সম্পূৰ্ণ নিদৰ্শন তথা গ্ৰহন কৰিবলগীয়া প্ৰতিৰোধমূলক ব্যৱস্থা সমূহ EMP ৰ দ্বাৰা পৰিচালিত কৰা।

ঘ) নিৰ্মানকাৰ্য্যৰ বাবে হোৱা ব্যয়ৰ হিচাপ ৰখাৰ ব্যৱস্থা কৰা হ'ব।

১৪) উক্ত প্ৰকল্পটোৰ আধাৰত -

ক) প্ৰকল্পস্থলীৰ সমীপৱৰ্তী আবাসিক অঞ্চলৰ বাসিন্দা সকলক উক্ত প্ৰকল্পৰ লগত জড়িত কৰাৰ যোগেদি উপযুক্ত পৰিশ্ৰমিকৰ বিনিময়ত তেওঁলোকৰ নিয়োগৰ ব্যৱস্থা কৰি দিয়া হ'ব।

খ) নিৰ্মানকাৰ্য্যৰ লগত জড়িত সা-সুবিধা সমূহৰ অনুশাসন তথা পৰিচালনাৰ কামত দীৰ্ঘকালীন সময়ৰ বাবে নিয়োজিত ব্যক্তিসকল প্ৰকল্পস্থলীৰ সমীপৱৰ্তী অঞ্চলৰ হয় নে নহয় নিশ্চিত কৰা।

১৫) IEE ৰ উন্নয়নৰ বাবে জনসাধৰণৰ মতামত তথা অংশীদাৰ সকলৰ ভূমিকা গুৰুত্বপূৰ্ণ। ইয়াৰ যোগেদি IEE ৰ উন্নয়ন আৰু কাৰ্য্য-পৰিকল্পনাৰ বিষয়ে মত প্ৰকাশ কৰা হয়। প্ৰাৰম্ভিক পাৰিপাৰ্শ্বিক নিৰীক্ষণৰ সম্পূৰ্ণ কাৰ্য্যাৱলী তথা পদক্ষেপ সমূহ জনসাধাৰনৰ পৰিৱেশ উন্নয়ন সজাগতাৰ হকে প্ৰকল্পৰ তথ্যসম্বলি কাকত সমূহ বিভিন্ন ধৰনৰ চৰকাৰী কাৰ্য্যালয় সমূহত সহজতে উপলব্ধ হ'ব যাৰ জৰিয়তে সমাজৰ সকলো পৰ্য্যায়ৰ লোক এই আঁচনিৰ লগত জড়িত হ'ব পাৰিব। তাৰোপৰি উক্ত প্ৰকল্পৰ ইলেক্টনিক সংস্কৰণ এটা ADB ৰ চৰকাৰী ৱেবচাইটত প্ৰকাশিত হ'ব।

১৬)সেয়েহে প্ৰস্তাবিত উপপ্ৰকল্পটোৱে তাৎপৰ্যপূৰ্ণ প্ৰতিকূল প্ৰভাৱ বিস্তাৰ কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। উক্ত প্ৰকল্পটোৰ প্ৰাপ্তিৰ আধাৰত ইয়াক B শ্ৰেণীৰ প্ৰকল্প ইচাপে নিশ্চিত কৰা হোৱাৰ লগতে ADB SPS(2009) ৰ আধাৰত উক্ত প্ৰকল্পটোৰ কোনোধৰণৰ বিশেষ অধ্যয়ন আৰু পাৰিপাৰ্শ্বিক প্ৰভাৱৰ মূল্যাংকণৰ বিশদ আলোচনাৰ প্ৰয়োজনীয়তা নাই বুলি উল্লেখ কৰা হ'ল।